হে আল্লাহৰ ৰাছুল! জিহাদ কৰাটোক আমি সৰ্বশ্ৰেষ্ঠ আমল বুলি জানো, তেন্তে আমি জিহাদ নকৰিমনে? তেখেতে ক'লেঃ "নহয়, বৰং আটাইতকৈ শ্ৰেষ্ঠ জিহাদ হৈছে: হজ্জে মাবৰূৰ"।

উম্মুল মুমিনীন আঈশ্বা ৰাদ্বিয়াল্লাহু আনহাৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ হে আল্লাহৰ
ৰাছুল! জিহাদ কৰাটোক আমি সৰ্বশ্ৰেষ্ঠ আমল বুলি জানো, তেন্তে আমি জিহাদ নকৰিমনে? তেখেতে ক'লেঃ "নহয়, বৰং আটাইতকৈ শ্ৰেষ্ঠ জিহাদ হৈছে: হজ্জে মাবৰূৰ"।
[ছহীহ] [(বুখাৰী)]

চাহাবাসকলে (ৰাদ্বিয়াল্লাহু আনহুম) আল্লাহৰ পথত জিহাদ কৰাক তথা শত্ৰুৰ সৈতে যুদ্ধ কৰাক সৰ্বশ্ৰেষ্ঠ আমল বুলি বিবেচনা কৰিছিল। সেয়ে আঈশ্বা ৰাদ্বিয়াল্লাহু আনহাই নবী চাল্লাল্লাহু আলাইহি অছাল্লামক সুধিলে যে, মহিলাসকলে জিহাদত অংশগ্ৰহণ নকৰিবনে? তেতিয়া নবী চাল্লাল্লাহু আলাইহি অছাল্লামে তেওঁলোকক নিৰ্দেশনা দি ক'লে যে, হজ্জে মাবৰূৰ হৈছে তেওঁলোকৰ বাবে সৰ্বোত্তম জিহাদ, হজ্জে মাবৰূৰ হৈছে যিটো হজ্জ কোৰআন হাদীছ মুতাবিক পালন কৰা হয়, যি হজ্জ গুনাহ আৰু লোকক দেখুওৱা (ৰিয়া)ৰ পৰা মুক্ত।

https://sunnah.global/hadeeth/as/show/2759